জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯০/২০২২**

## গুৱাহাটীৰ হেলথ্ চিটি হাস্পতালত দ্বিতীয়টো ৰেডিঅ'থেৰাপী ইউনিটৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## উত্তৰ পূৰ্বাঞ্চলত কৰ্কট ৰোগৰ বৰ্দ্ধিত প্ৰাদুৰ্ভাৱৰ প্ৰকৃত কাৰণ বিশ্লেষণৰ বাবে গভীৰ গৱেষণাৰ প্ৰয়োজন আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাস্থিত হেলথ্ চিটি হাস্পতালত দ্বিতীয়টো ৰেডিঅ'থেৰাপী ইউনিটৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে হেলথ্ চিটি হাস্পতালত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত কৰ্কট ৰোগৰ বৰ্দ্ধিত প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি হাস্পতালখনত আজি সংযোজন হোৱা এই ৰেডিঅ' থেৰাপি ইউনিটোৱে কৰ্কট ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত বিশেষভাৱে উপকৃত কৰিব। ২০২০ চনৰ আইচিএমআৰৰ প্ৰতিবেদন মতে মিজোৰাম, মেঘালয়, অসম আৰু অৰুণাচল প্ৰদেশত কৰ্কটৰোগীৰ সংখ্যা বৃদ্ধি হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে চৰকাৰে ৰাজ্যত কেইবাখনো কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপন কৰিছে। তদুপৰি ৰাজ্য চৰকাৰৰ লগতে ব্যক্তিগত খণ্ডটো পেট চিটি স্কেন ব্যৱস্থা গঢ়ি উঠিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম তথা উত্তৰ পূৰ্বাঞ্চলত কৰ্কট ৰোগৰ বৰ্দ্ধিত প্ৰাদুৰ্ভাৱৰ প্ৰকৃত কাৰণ বিশ্লেষণৰ বাবে গভীৰ গৱেষণাৰ প্ৰয়োজন আছে। কৰ্কট ৰোগৰ চিকিৎসাৰ ব্যয়বহুলতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ সুলভ আৰু সহজ লভ্য চিকিৎসাসেৱাৰ প্ৰয়োজন আহি পৰিছে বুলিও সভাত মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে। প্ৰধানমন্ত্ৰীৰ 'আয়ুষ্মান ভাৰত'ৰ দৰে অসমৰ ৫২ লাখ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন অধীনৰ হিতাধিকাৰীক ৫ লাখ টকাৰ সাৰ্বজনীন স্বাস্থ্য বীমা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰাৰ চিন্তা-চৰ্চা কৰি আছে বুলি তেওঁ কয়। ক'ৰ'নেৰী হৃদৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত অসমে ১০ হাজাৰ ৰোগীক চিকিৎসা প্ৰদানৰ সীমাৰেখা অতিক্ৰম কৰাৰ পথত অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ব'ন মেৰু সংৰোপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইয়াৰ বাবে ৰাজ্যত এটা বৃহৎ কেন্দ্ৰ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আছে।

হেলথ্ চিটি হাস্পতালৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ডাঃ ভৱানন্দ দাসে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, হেলথ্ চিটি হাস্পতালৰ সঞ্চালক ডাঃ ভৱানী প্ৰসাদ চক্ৰৱৰ্তী প্ৰমুখ্যে হাস্পতালখনৰ চিকিৎসক, নাৰ্চ, স্বাস্থ্য কৰ্মী আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানতে হেলথ্ চিটি হাস্পতালৰ কৰ্তৃপক্ষই ৫ লাখ টকাৰ এখন চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়।

**হেঃশঃ**
**২৪/০৯/২০২২**